# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 23-09-2024
**Time :** 21-25 Hrs

# Assamese Night Bulletin
:::::::::::::::::::::::::::::::

বিগত কেইবাদিনো ধৰি অব্যাহত থকা উৎকট গৰমৰ বাবে কামৰূপ মহানগৰ জিলাৰ সকলো চৰকাৰী আৰু বে-চৰকাৰী বিদ্যালয় কাইলৈৰ পৰা ২৭ ছেপ্টেম্বৰলৈ বন্ধ ঘোষণা কৰা হৈছে। প্ৰচণ্ড গৰমৰ বাবে মহানগৰীৰ কেইবাখনো বিদ্যালয়ৰ মুৰববীয়ে ছাত্ৰ-ছাত্ৰীৰ স্বাস্থ্যৰ অৱনতি ঘটাৰ বিষয়ে অৱগত কৰাৰ পৰিপ্ৰেক্ষিতত জিলাখনৰ আয়ুক্তৰ অনুমোদন সাপেক্ষে সমগ্ৰ শিক্ষাই এই নিৰ্দেশ জাৰি কৰিছে।

০০০

সমাগত দুৰ্গা পূজা উপলক্ষে গুৱাহাটী মহানগৰীৰ বাট পথসমূহ মেৰামতিৰ কাম পূৰ্ণগতিত অব্যাহত আছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি সামাজিক মাধ্যমৰ জৰিয়তে বিষয়টোত আলোকপাত কৰি কয় যে চৰকাৰে উন্নয়নৰ সমান্তৰালকৈ জনসাধাৰণৰ যাতায়তৰ সুচলতাৰ ওপৰতো গুৰুত্ব আৰোপ কৰিছে।

০০০

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি বিগত ১০ বছৰত ৰাজ্যত হোৱা উন্নয়নৰ পৰিপ্ৰেক্ষিতত সমাজৰ সকলো স্তৰৰ লোকে বিজেপিৰ সদস্যপদ গ্ৰহণ কৰিছে বুলি মত প্ৰকাশ কৰে। গোলাঘাটত আজি ভাৰতীয় জনতা পাৰ্টীৰ সদস্যতা অভিযানৰ পৰ্যালোচনা সভাত অংশগ্ৰহণ কৰি তেওঁ এইকথা প্ৰকাশ কৰে। তেওঁ কয় যে কৃষকৰ পৰা আৰম্ভ কৰি যুৱক-যুৱতীলৈ সমাজৰ সকলো স্তৰৰ লোকে বিজেপি দলৰ কামৰ প্ৰতি আকৃষ্ট হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত সমাগত ৫ বছৰত ভাৰতৰ বিশ্বৰ অন্যতম শক্তিশালী ৰাষ্ট্ৰ হিচাপে গঢ়ি তুলিবলৈ তেওঁ সকলোকে সহযোগিতা কৰিবলৈ আহ্বান জনায়।

ইপিনে, চৰাইদেউ জিলাৰ অটল বিহাৰী বাজপেয়ী ভৱনত অনুষ্ঠিত সদস্যতা অভিযানৰ পৰ্যালোচনা সভাত কেন্দ্ৰীয় মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই অংশগ্ৰহণ কৰে।

০০০

উচ্চ শিক্ষা মন্ত্ৰী ৰণোজ পেগুৱে আজি নতুন দিল্লীৰ মানেক শ্ব চেণ্টাৰত ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ অতিৰিক্ত সঞ্চালক প্ৰধান, উপ সঞ্চালক প্ৰধান তথা ৰাজ্যিক প্ৰতিনিধিবৰ্গৰ বিশেষ যৌথ সন্মিলনত অংশগ্ৰহণ কৰে। প্ৰতিৰক্ষা ৰাজ্যমন্ত্ৰী সঞ্জয় শেঠে অধ্যক্ষতা কৰা সন্মিলনত অতিৰিক্ত ৩ লাখ শিক্ষাৰ্থী এন চি চিত অন্তৰ্ভুক্ত কৰাৰ বাবে বিশেষ পৰিকল্পনাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। সন্মিলনত এন চি চিসকলৰ প্ৰশিক্ষণৰ বাবে অধিক প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ ব্যৱস্থা কৰা, ৰাজ্য তথা কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ জৰিয়তে অধিক বাজেট মঞ্জুৰ কৰা তথা অসামৰিক পদসমূহ পূৰণ কৰাৰ ব্যৱস্থাকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

০০০

অসম বিধান সভাৰ ছজনীয়া ৰাজহুৱা হিচাপ সমিতিয়ে আজি কৰিমগঞ্জ ভ্ৰমণ কৰে। জিলাখনৰ আয়ুক্তৰ কাৰ্যালয়ত আয়োজিত বৈঠকত ২০২০-২১ বৰ্ষৰ এম জি এনৰেগা, অমৃত সৰোবৰ, পি এম এ ৱাই গ্ৰামীণ আদিকে

ধৰি বহু আঁচনি ৰূপায়ণৰ পৰ্যালোচনা কৰা হয়। বৈঠকত জলসম্পদ বিভাগৰ নদী বান্ধ নিৰ্মাণৰ অগ্ৰগতিটো পৰ্যালোচনা কৰা হয়। তদুপৰি অঙ্গনবাড়ী কেন্দ্ৰ, পোষণ অভিযান, বেটি বচাও বেটি পঢ়াও, সংখ্যালঘু বৃত্তিৰ উপৰি স্বাস্থ্য বিভাগৰ বিভিন্ন দিশৰো বুজ লোৱা হয়।

০০০

দক্ষতা, নিয়োগ আৰু উদ্যমিতা মন্ত্ৰী জয়ন্তমল্ল বৰুৱাই আজি শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ স্বচ্ছ ভাৰত মিছন গ্ৰামীন আৰু জলজীৱন মিছনৰ কাৰ্যকৰীকৰণ তথা পৰিকল্পনা সন্দৰ্ভত চাহ বাগিছাৰ পৰিচালক, কৰ্তৃপক্ষ আৰু অন্যান্য অংশীদাৰসকলৰ সৈতে এখন বৈঠকত অংশগ্ৰহণ কৰে। বৈঠকত চাহ বাগিছা এলেকাসমূহত দুয়োখন আঁচনিৰে এশ শতাংশ ৰূপায়ণ, প্ৰতিটো বাসগৃহত শৌচাগাৰ স্থাপন তথা আঁচনিসমূহৰ কাৰ্যকৰীকৰণৰ বাবে বুজাবুজিৰ চুক্তিও চূড়ান্ত কৰা হয়। ইয়াৰ লগতে বাগিচাৰ শ্ৰমিকসকলে যাতে দুবাৰ নিয়মিত খোৱাপানী লাভ কৰে সেয়া নিশ্চিত কৰিবলৈ বাগিচাৰ কৰ্তৃপক্ষক তেওঁ অনুৰোধ জনায়। বৈঠকত পাৰ্বত্য অঞ্চল উন্নয়ন মন্ত্ৰী যোগেন মহনো উপস্থিত থাকে।

০০০

পশুপালন আৰু পশু চিকিৎসা মন্ত্ৰী অতুল বৰাই আজি মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ হিতাধিকাৰী প্ৰশিক্ষণ কাৰ্যসূচীত অংশগ্ৰহণকাৰীসকলৰ সৈতে মত বিনিময় কৰে। বোকাখাটৰ পশু চিকিৎসা বিজ্ঞান আৰু পশুপালন মহাবিদ্যালয়ত আয়োজিত অনুষ্ঠানত অংশগ্ৰহণ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত ৰাজ্য চৰকাৰে কৃষি, পশুপালন তথা আনুসংগিক ক্ষেত্ৰসমূহত আত্মনিৰ্ভৰশীলতাৰ সুযোগ দিয়াৰ জৰিয়তে যুৱ সৱলীকৰণৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে। ৰাজ্যৰ জনসংখ্যাৰ সৰহ সংখ্যক লোকেই কৃষিৰ ওপৰত নিৰ্ভৰশীল বুলি উল্লেখ কৰি তেওঁ কয় যে, মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম আঁচনিৰ জৰিয়তে বাণিজ্যিক মূল্য থকা কৃষি আৰু উদ্যমিতা ক্ষেত্ৰৰ উন্নয়ন ত্বৰান্বিত হৈছে।

০০০

মন্ত্ৰী পিযুষ হাজৰিকাই আজি খোৱাং বিধানসভা সমষ্টিৰ বানপীড়িত লোকসকলৰ সৈতে মত বিনিময় কৰে। অনুষ্ঠানত মন্ত্ৰীগৰাকীয়ে বান নিয়ন্ত্ৰণৰ বাবে চৰকাৰে গ্ৰহণ কৰা পদক্ষেপসমূহৰ ওপৰত আলোকপাত কৰে। মন্ত্ৰীগৰাকীয়ে সমষ্টিটোলৈ এশ কোটি টকাৰ অনুদান আগবঢ়োৱাৰ ব্যৱস্থা কৰা হ'ব বুলি ভাষণ প্ৰসংগত উল্লেখ কৰে। খোৱাংবাসীৰ সমস্যা সমাধান কৰিবলৈ চৰকাৰৰ তৰফৰ পৰা সম্ভাব্য সকলো সহায় আগবঢ়োৱা হ'ব বুলি মন্ত্ৰী হাজৰিকাই সদৰি কৰে।

০০০

সমগ্ৰ দেশতে ৭০ হাজাৰতকৈও অধিক বাহন চাৰ্জিং ষ্টেচন স্থাপনৰ বাবে কেন্দ্ৰই দুহেজাৰ কোটিতকৈও অধিক টকা বিনিয়োগ কৰাৰ পৰিকল্পনা কৰিছে। গুৱাহাটীত কেন্দ্ৰীয় গধুৰ উদ্যোগ আৰু তীখা মন্ত্ৰী এইচ ডি কুমাৰাস্বামীয়ে এখন সংবাদমেল সম্বোধন কৰি এই বিষয়ে প্ৰকাশ কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে যে অসমৰ কাৰ্বি আংলং জিলাৰ চিমেণ্ট কৰ্প'ৰেচন অব্ ইণ্ডিয়া লিমিটেডৰ বোকাজান প্ৰকল্প পুনৰুজ্জীৱিত কৰিবলৈ চৰকাৰে প্ৰায় ৭০০ কোটি টকা বিনিয়োগ কৰিব। শ্ৰী কুমাৰাস্বামীয়ে শনিবাৰে বোকাজান চিমেণ্ট ফেক্টৰীত কেঁচা মিলত হট গেছৰ ব্যৱহাৰ উদ্বোধন কৰাৰ লগতে ১ মেগাৱাট গ্ৰীড সংযোজিত সৌৰ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে।

০০০

ঃঃ সমাপ্ত ঃঃ